DAILY ASSAM

প্ৰথম অধ্যায়



# সংবিধান ঃ কিয় আৰু কেনেকৈ

# (CONSTITUTION: WHY AND HOW?)

**পৰিচয়**

*এই কিতাপখন ভাৰতীয় সংবিধানৰ কাম-কাজৰ বিষয়ে যুগুত কৰা হৈছে। ইয়াৰ বিভিন্ন অধ্যায়ত তোমালোকে ভাৰতীয় সংবিধানৰ কাৰ্য্যকাৰিতা আৰু বিভিন্ন দিশ সমূহৰ বিষয়ে জানিব পাৰিবা। তদুপৰি সংবিধানৰ আধাৰত গঢ়ি উঠা চৰকাৰৰ বিভিন্ন অনুষ্ঠান সমূহৰ বিষয়েও তোমালোকে জানিব পাৰিবা। সেই অনুষ্ঠান সমূহৰ মাজত থকা সম্বন্ধৰ বিষয়েও তোমালোকৰ ধাৰণা স্পষ্ট হব।*

*কিন্তু আমি সংবিধানত নিৰ্ব্বাচন, চৰকাৰ, ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী আদিৰ বিষয়ে জনাৰ আগেয়ে এই কথা বুজি পাব লাগিব যে চৰকাৰৰ সম্পূৰ্ণ গাঁঠনি আৰু বিভিন্ন নীতিসমূহ যিবোৰে চৰকাৰৰ অনুষ্ঠানসমূহক একেলগে বান্ধি ৰাখে, সেইসকলোবোৰৰে মূল হৈছে ভাৰতীয় সংবিধান।*

*এই অধ্যায় পঢ়াৰ পিছত তুমি গম পাবা ঃ*

- *সংবিধান মানে কি?*
- *সমাজত সংবিধানৰ কাম কি?*
- *সংবিধানে কিদৰে সমাজত ক্ষমতাৰ বিতৰণ কৰে?*
- *ভাৰতীয় সংবিধান কি ধৰণেৰে প্ৰস্তুত কৰা হৈছে?*

DAILY ASSAM



## আমাক সংবিধান কিয় লাগে ?

সংবিধান কি ? ইয়াৰ কাৰ্য্যবোৰ কি কি ? সমাজত ই কেনেধৰণৰ ভূমিকা পালন কৰে ? আমাৰ দৈনন্দিন জীৱনৰ সৈতে সংবিধান কিদৰে জড়িত ? তুমি ভবাৰ দৰে এই প্ৰশ্নবোৰৰ উত্তৰ ইমান জটিল নহয়।

## সংবিধান ঃ এক সমন্বয় আৰু আশ্বাস।

ধৰিলোৱা তুমি এটা ডাঙৰ গোষ্ঠীৰ সদস্য। আকৌ ভাবা এই গোষ্ঠীৰ তলত দিয়া বৈশিষ্ট্য সমূহ আছে। গোষ্ঠীৰ সদস্যসকল ভিন্ন ধৰণৰ। তেওঁলোকৰ ধৰ্মীয় আনুগত্য বেলেগ বেলেগ। তাৰে কিছুমান হিন্দু, কিছুমান মুছলমান, কিছুমান খ্ৰীষ্টীয়ান আৰু কিছুমানৰ কোনো ধৰ্মীয় আনুগত্য নাই। আন বহুবোৰ দিশতো তেওঁলোক বেলেগ বেলেগ। তেওঁলোকে বেলেগ বেলেগ কাম কৰে, তেওঁলোকৰ সামৰ্থ বেলেগ বেলেগ তেওঁলোকৰ পচন্দ বেলেগ বেলেগ আৰু বোলছবিৰ পৰা আৰম্ভ কৰি কিতাপলৈকে তেওঁলোকৰ ৰুচিবোধ বেলেগ বেলেগ। তাৰে আকৌ কিছুমান ধনী আৰু দুখীয়া। কিছুমান ডেকা আৰু কিছুমান বুঢ়া। ধৰিলোৱা এই গোষ্ঠীৰ সদস্যসকলৰ মাজত অচিৰেই জীৱনৰ বিভিন্ন দিশ সম্বন্ধে বিবাদ সৃষ্টি হব। এওঁলোকৰ প্ৰত্যেককে কিমান সম্পত্তি ৰাখিবলৈ দিয়া হব? প্ৰত্যেক শিশুকেই স্কুললৈ যাব দিয়া উচিত বা অভিভাৱকে সেইবিষয়ে সিদ্ধান্ত লব। গোষ্ঠীটোৰ কিছুমান সদস্যৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ কৰিবলৈ দিয়া হবনে? ইয়াৰ প্ৰত্যেকটো প্ৰশ্নৰেই বেলেগ বেলেগ উত্তৰ পোৱা যাব। কিন্তু গোষ্ঠীটোৰ সকলো ভিন্নতা স্বত্তেও গোষ্ঠীটোৰ সদস্যসকল একলগ হৈ থাকিব লাগিব। তেওঁলোকৰ প্ৰত্যেককে প্ৰত্যেকৰ সহযোগিতাৰ আৱশ্যক হব। এই গোষ্ঠীটো শান্তিৰে জীয়াই থাকিবলৈ কিহে সহায় কৰিব ?



*এই গোষ্ঠীটো মোৰ গাওঁৰ মানুহখিনিৰ দৰেই।*



*এৰা, এইটো মোৰ চুবুৰী হব পাৰে। এইখন তোমাৰ গাওঁ, চহৰ আৰু চুবুৰীটোৰ ক্ষেত্ৰত প্ৰযোজ্য হয়নে?*

DAILY ASSAM



কোনোবা এজনে কব পাৰে যে গোষ্ঠীটোৱে একেলগে থাকিব পাৰিব যদিহে তেওঁলোকে কিছুমান মৌলিক নিয়ম মানি চলে। এতিয়া প্ৰশ্ন হৈছে যে গোষ্ঠীটোক কিছুমান মূল নীতিৰ কিয় প্ৰয়োজন? কিছুমান মূল নীতিৰ অভাৱত কেনে এক পৰিস্থিতিৰ সৃষ্টি হব। এনে এক অৱস্থাত প্ৰত্যেকেই নিৰাপত্তাহীনতাত ভুগিব কিয়নো গোষ্ঠীটোৰ এজন সদস্যই আন এজন সদস্যক কি কৰিব পাৰে সেই সম্পৰ্কে তেওঁলোকৰ জ্ঞান নাথাকিব। প্ৰত্যেক গোষ্ঠীৰেই কিছুমান মৌলিক নীতি-নিয়মৰ দৰকাৰ যিবোৰ ৰাজহুৱাভাৱে ঘোষণা কৰিব লাগে আৰু গোষ্ঠীটোৰ প্ৰত্যেকজন সদস্যই জানিব লাগে যাতে এক নুন্যতম পৰ্য্যায়ৰ সমন্বয় ৰক্ষা কৰিব পাৰি। কিন্তু এই মৌলিক নীতিবোৰ সদস্য সকলে জানিলেই নহব, সেইবোৰ বলবৎ কৰিবও লাগিব। যদি নাগৰিক সকলে ভাবে যে আনে এইবোৰ নীতি নিয়ম মানি নচলিব তেতিয়া তেওঁলোকেও সেইবোৰ নীতি নিয়ম মানি নচলা হব। কিন্তু যেতিয়া প্ৰত্যেকেই জানিব পাৰিব যে মৌলিক নীতিসমূহ আইনসংগতভাৱে বলবৎ কৰা হব, তেতিয়া প্ৰত্যেকেই সেই নীতিনিয়মসমূহ ভংগ কৰিলে আইনমতে দণ্ডনীয় হব।

সংবিধানৰ প্ৰথম কামটো হৈছে এনে কিছুমান নীতি-নিয়ম আগবঢ়োৱা যিবোৰে সমাজৰ লোকসকলৰ মাজত নুন্যতম সমন্বয় বজাই ৰাখিব।



***অনুশীলনী***

এই অধ্যায়ত আলোচনা কৰা ধাৰণাসমূহৰ বিষয়ে শ্ৰেণীত চিন্তা চৰ্চা হওঁক। সমগ্ৰ শ্ৰেণীটোৱেই আলোচনাৰ মাজেৰে এনে কিছুমান সিদ্ধান্তত উপনীত হব লাগে যাতে সেই সিদ্ধান্তসমূহ সেই গোটেই বছৰটোৰ বাবে প্ৰয়োজ্য হয়। তলত দিয়া বিষয় সমূহৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা যায়।

- শ্ৰেণী প্ৰতিনিধি সকল কিদৰে নিৰ্ব্বাচিত হ'ব?
- শ্ৰেণী প্ৰতিনিধি সকলে কোনবোৰ সিদ্ধান্ত গোটেই শ্ৰেণীটোৰ হৈ লব পাৰিব?
- কোনবোৰ সিদ্ধান্ত শ্ৰেণী প্ৰতিনিধি সকলে শ্ৰেণীৰ সৈতে আলোচনা নকৰাকৈ গ্ৰহণ কৰিব নোৱাৰিব?
- এই তালিকাখনত তোমালোকে আন বিষয়ও যোগ দিব পাৰিবা। যেনে — শ্ৰেণীটোৰ কাৰণে কিছুমান সামগ্ৰী, বনভোজ

DAILY ASSAM



আয়োজন কৰা, বাহিৰলৈ ফুৰিবলৈ যোৱা। একেধৰণৰ সম্পদ ব্যৱহাৰ কৰা তালিকাত এনেকুৱা বিষয়বোৰ সন্নিবিষ্ট কৰিব লাগে যিবোৰে আগতে বিবাদৰ সূত্ৰপাত কৰিছিল। সিদ্ধান্তসমূহ প্ৰয়োজন সাপেক্ষে কিদৰে সলনি কৰিব পাৰি?

◇ :এই সকলোবোৰ সিদ্ধান্ত এখন কাগজত লিখা আৰু জাননী ফলকত ওলোমাই দিয়া এনে সিদ্ধান্ত লওঁতে কি কি সমস্যাৰ সম্মুখীন হ'লা? ছাত্ৰ-ছাত্ৰী সকলৰ মাজত মত পাৰ্থক্য আছিলনে? এই মত পাৰ্থক্য সমূহ তুমি কেনেকৈ দূৰ কৰিলা? এই অনুশীলনীটোৰ পৰা শ্ৰেণীটো উপকৃত হ'লনে?

## সিদ্ধান্ত গ্ৰহণ কাৰী ক্ষমতাৰ নিৰ্ধাৰণ (Specification of dicision making power)

এখন সংবিধান হৈছে বহুবোৰ মৌলিক নীতিৰ সমাহাৰ যাৰ জৰিয়তে এখন ৰাষ্ট্ৰ গঠন বা শাসন কৰা হয়। কিন্তু এই মৌলিক নীতিসমূহ কেনে হোৱা উচিত? কিহৰ কাৰণে এই নীতিবোৰক মৌলিক বুলি কোৱা হয়? প্ৰথমেই আমি চাওঁ যে সমাজৰ আইনবোৰ কেনে হোৱা উচিত? কিহৰ কাৰণে এই নীতিবোৰক মৌলিক বুলি কোৱা হয়? প্ৰথমেই আমি চাওঁ যে সমাজৰ আইনবোৰ কেনে হোৱা উচিত, সেই বিষয়ে কোনে সিদ্ধান্ত গ্ৰহণ কৰে, তুমি নীতিটো বিচাৰিব পাৰা, কিন্তু বাকীবোৰেও নীতিটো বিচাৰিব পাৰে। এনেক্ষেত্ৰত কোনটো নীতিয়ে আমাক শাসন কৰিব সেই বিষয়ে আমি কিদৰে সিদ্ধান্ত লম? তুমি ভাবিব পাৰা যে তুমি বিচৰা নীতিটোৱেই আটাইতকৈ শ্ৰেষ্ঠ। কিন্তু বেলেগে আকৌ ভাবিব যে তেওঁলোকৰ নীতিবোৰেই শ্ৰেষ্ঠ। এনে এটা বিবাদ আমি কিদৰে নিষ্পত্তি কৰিব পাৰো? সেয়েহে কি নীতিয়ে আমাক শাসন কৰিব সেইবিষয়ে সিদ্ধান্ত লোৱাৰ আগেয়ে কোনে এই সিদ্ধান্ত লব সেই বিষয়ে জনাৰ প্ৰয়োজন।

সংবিধানে এনে প্ৰশ্ন এটাৰ সমিধান দিব পাৰিব লাগিব। ই সমাজত ক্ষমতাৰ বিতৰণ নিৰ্ধাৰণ কৰে। ই কোনখন আইন গ্ৰহণ কৰা হব সেই বিষয়ে কোনে সিদ্ধান্ত লব, সেই কথা নিৰূপন কৰে। নীতিগতভাৱে এই প্ৰশ্নটোৰ উত্তৰ বিভিন্ন ধৰণে দিব পাৰি। ৰাজতন্ত্ৰত ৰজাই সিদ্ধান্ত গ্ৰহণ কৰে।। পূৰ্ব্বৰ চোভিয়েত ইউনিয়নত এটা দল অৰ্থাৎ কমিউনিষ্ট দলক সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা দিয়া হৈছিল। গণতান্ত্ৰিক সংবিধানত জনসাধাৰণৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ চূড়ান্ত ক্ষমতা আছে। কিন্তু এই বিষয়টো ইমান সহজ নহয়। যদি আমি ধৰি

DAILY ASSAM



লওঁ যে জনসাধাৰণে সিদ্ধান্ত লয়, ই প্ৰশ্নটোৰ সম্পূৰ্ণ উত্তৰ নহ'ল। জনসাধাৰণে কিদৰে সিদ্ধান্ত গ্ৰহণ কৰে? এখন আইন হ'বলৈ হলে সকলোৰে সন্মতিৰ প্ৰয়োজন আছেনে? প্ৰাচীন গ্ৰীচৰ দৰে জনসাধাৰণে প্ৰত্যেকটো বিষয়তে প্ৰত্যক্ষভাৱে ভোট দিয়া উচিতনে? অথবা জনসাধাৰণে তেওঁলোকৰ প্ৰতিনিধি নিৰ্বাচন কৰি তেওঁলোকৰ পছন্দ ব্যক্ত কৰিব পাৰে নেকি? যদি জনসাধাৰণে প্ৰতিনিধি সকলৰ হৈ কাম কৰে, তেতিয়াহলে এই প্ৰতিনিধিসকল কিদৰে নি ৰ্বাচিত হব বা তাত কিমান প্ৰতিনিধি থাকিব?


ভাৰতীয় সংবিধানত এইটো উল্লেখ কৰা হৈছে যে বেছিভাগ ক্ষেত্ৰতেই সংসদে আইন আৰু নীতিসমূহ নিৰ্ধাৰণ কৰিব আৰু এক নিৰ্দ্দিষ্ট ধৰণেৰে সংসদ গঠিত হব। এখন সমাজত আইন কি, সেই বিষয়ে নিৰ্দ্দিষ্ট কৰাৰ আগেয়েই সেই আইন প্ৰণয়ণ কৰিবৰ কাৰণে কাৰ কৰ্তৃত্ব আছে সেই কথা নিৰূপণ কৰিব লাগিব। যদি সংসদৰ আইন প্ৰণয়ণ কৰাৰ কৰ্তৃত্ব আছে, তাত এনে এক আইন থাকিব লাগিব যিখনে সংসদৰ ওপৰত আইন প্ৰণয়ণৰ কৰ্তৃত্ব ন্যস্ত কৰে। এইটো হৈছে সংবিধানৰ কাম, ই এনে এটা কৰ্তৃত্ব যি চৰকাৰ গঠন কৰে।

সংবিধানৰ দ্বিতীয় কামটো হৈছে সমাজত সিদ্ধান্ত গ্ৰহণ কৰাৰ কাৰণে কাৰ ক্ষমতা আছে সেই কথা নিৰূপণ কৰা। চৰকাৰ কিদৰে গঠিত হ'ব সেইবিষয়ে সংবিধানেই সিদ্ধান্ত লয়।

### চৰকাৰৰ ক্ষমতাৰ ওপৰত সীমাবদ্ধতা (Limitation on the powers of government)

কিন্তু এইটো নিঃসন্দেহে যথেষ্ট বুলি কব নোৱাৰি। ধৰি লোৱা তুমি সিদ্ধান্ত কৰিলা যে সিদ্ধান্ত গ্ৰহণ কৰিব পৰা কৰ্তৃত্ব কাৰ হাতত থাকিব। কিন্তু এই কৰ্তৃপক্ষই

**ব্যঙ্গ চিত্ৰখন পঢ়া**




ইউৰোপিয়ান ইউনিয়নৰ দেশসমূহে ইউৰোপৰ বাবে এখন সংবিধান প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু সেই প্ৰচেষ্টা ব্যৰ্থ হয়। ওপৰৰ চিত্ৰখন এই ব্যৰ্থতা দেখুওৱা হৈছে। এয়া সকলো সংবিধান প্ৰস্তুত কৰাৰ ক্ষেত্ৰতেই হয়নে?

"European Constitution" by Patrick Chappate, International Herald Tribune, 21SEP04 Copyright Cagle Cartoons.

DAILY ASSAM



এনে আইন প্ৰণয়ণ কৰিলে যিবোৰ মূলতঃ অশুদ্ধ। ধৰি ললো যে আইনে তোমাক তোমাৰ ধৰ্ম পালন কৰাত বাধাৰ সৃষ্টি কৰিলে অথবা বাধা দিলে, অথবা এই কৰ্তৃপক্ষই এটা নিৰ্দ্দিষ্ট ৰঙৰ কাপোৰ নিষিদ্ধ কৰিলে বা তুমি কিছুমান গান গাব নোৱাৰা কৰিলে বা এটা নিৰ্দ্দিষ্ট জাতি বা ধৰ্মৰলোকক সদায়েই আনক সেৱা কৰাৰ ব্যৱস্থা কৰিলে বা সম্পত্তি ৰাখিব নোৱাৰা কৰিলে। তদুপৰি কৰ্তৃপক্ষই এনে আইন প্ৰণয়ণ কৰিলে যাৰ জৰিয়তে চৰকাৰে যি কোনো লোকক গ্ৰেপ্তাৰ কৰিব পাৰিব বা কেৱল মাত্ৰ এটা বৰ্ণৰ লোকেহে নাদৰ পৰা পানী তুলিব পাৰিব। এনে ক্ষেত্ৰত তুমি নিঃসন্দেহে ভাবিবা যে এনে আইনবোৰ অযুক্তিকৰ আৰু অশুদ্ধ। যদিও এনে আইন প্ৰনয়ণ কৰা চৰকাৰ এটা নিৰ্দ্ধিষ্ট পদ্ধতিৰ মাজেৰে নিৰ্বাচিত হয়, এনে আইনসমূহ কেতিয়াও শুদ্ধ বুলি মানি লব নোৱাৰি।

গতিকে সংবিধানৰ তৃতীয় কামটো হৈছে চৰকাৰৰ ক্ষমতাৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰা। এনে সীমাবদ্ধতাসমূহ এই অৰ্থত মৌলিক যে চৰকাৰে কেতিয়াও সেই সীমাবদ্ধতাসমূহ পাৰ হৈ যাব নোৱাৰে।

সংবিধানে বিভিন্ন ধৰণে চৰকাৰৰ ক্ষমতা পৰিসীমিত কৰে। চৰকাৰৰ ক্ষমতা পৰিসীমিত কৰা আটাইতকৈ সাধাৰণ উপায়টো হৈছে সকলো নাগৰিকে উপভোগ কৰা কিছুমান মৌলিক অধিকাৰ সু-নিৰ্দ্দিষ্ট কৰা। এই অধিকাৰসমূহৰ নিৰ্দ্দিষ্ট বিষয় আৰু বাখ্যাসমূহ সংবিধান অনুসৰি বেলেগ বেলেগ হয়। কিন্তু বেছিভাগ সংবিধানেই বহুবোৰ অধিকাৰ সুৰক্ষিত কৰা দেখা যায়। নাগৰিকসকলক কোনো কাৰণ নোহোৱাকৈ গ্ৰেপ্তাৰ কৰাৰ পৰা সুৰক্ষিত কৰি ৰখা, ই চৰকাৰৰ কাম-কাজৰ ওপৰত এক মৌলিক সীমাবদ্ধতা । সাধাৰণতে নাগৰিকসকলৰ স্বতন্ত্ৰতাৰ অধিকাৰ, বাক্ স্বাধীনতা, বিবেকৰ অধিকাৰ, অনুষ্ঠান গঠন কৰাৰ অধিকাৰ, ব্যৱসায় বাণিজ্য চলোৱাৰ অধিকাৰ আদি থকা দেখা যায়। বাস্তৱক্ষেত্ৰত এনে অধিকাৰসমূহৰ ওপৰত সীমাবদ্ধতা আনিব লাগে। ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থাৰ পৰিপ্ৰেক্ষীতত আৰু সংবিধানেও কি কি ক্ষেত্ৰত এই অধিকাৰসমূহ প্ৰত্যাহাৰ কৰিব পাৰে সেই কথা উল্লেখ কৰে।



*অ' তুমি প্ৰথমতে এটা দৈত্য সৃষ্টি কৰা আৰু তাৰ পিছত সেই দৈত্যৰ পৰা নিজকে ৰক্ষা কৰিবলৈ উত্ৰাৱল হৈ পৰা। মই কবলৈ হলে চৰকাৰ নামৰ এই দৈত্যটো তুমি প্ৰথমেই কিয় সৃষ্টি কৰিছিলা।*


DAILY ASSAM



**আশা-আকাংক্ষা আৰু সমাজৰ লক্ষ্যসমূহ** (Aspiration and goals of a society)

বেছিভাগ পূৰণি সংবিধানেই সিদ্ধান্ত গ্ৰহণ কৰা ক্ষমতা বিতৰণ কৰি আৰু চৰকাৰৰ ক্ষমতাৰ ওপৰত সীমাবদ্ধতা অৰোপ কৰি নিজকে সীমাবদ্ধ কৰি ৰাখিছিল। কিন্তু, ভাৰতীয় সংবিধানকে ধৰি পৃথিৱীৰ বেছিভাগ কুৰি শতিকাৰ সংবিধানে চৰকাৰৰ কাৰণে কিছুমান ইতিবাচক কাম কৰাৰ বাবে এনে কিছুমান সম্ভাব্য কম পৰিধি কিছুমান তৈয়াৰ কৰি দিব লাগে যাতে সমাজৰ আশা আৰু লক্ষ্যসমূহ প্ৰকাশ কৰিব পৰা যায়। এই

### ব্যঙ্গ চিত্ৰখন




Shankar. Copyright: Children's Book Trust.

সংবিধান প্ৰণেতা সকলে জনসাধাৰণৰ বিভিন্ন আশা আকাংক্ষাৰ প্ৰতি চকু দিবলগীয়া হয়। ওপৰৰ চিত্ৰখনত নেহৰুৱে বিভিন্ন দৃষ্টিভঙ্গী আৰু আদৰ্শৰ মাজত সমতা ৰক্ষা কৰিবলৈ চেষ্টা চলাইছে। এই বিভিন্ন গোষ্ঠীবোৰ কোন কোন সেই কথা তুমি চিহ্নিত কৰিব পাৰিবানে? এনে ভাৰসাম্য ৰক্ষাৰ চেষ্টাত শেষত বাৰু কি হ'লগৈ?

ক্ষেত্ৰত ভাৰতীয় সংবিধানৰ নাম নিঃসন্দেহে উল্লেখযোগ্য। যিবোৰ সমাজত অতি গভীৰ ধৰণৰ অসমতা আছে সেইবোৰত চৰকাৰৰ ক্ষমতাৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰাৰ লগতে চৰকাৰক শক্তিশালী কৰিব লাগিব যাতে সমাজৰ অসমতা দূৰ কৰিবলৈ চৰকাৰে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

উদাহৰণ স্বৰূপে ভাৰতবৰ্ষই জাতি বৈষম্য আতৰাই এখন সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰে যদি এইটো চৰকাৰৰ লক্ষ্য হয়, তেতিয়াহ'লে চৰকাৰক এনেধৰণৰ ক্ষমতা প্ৰদান

DAILY ASSAM



কৰিব লাগিব যাতে এই লক্ষ্যত উপনীত হবলৈ চৰকাৰে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰে। দক্ষিণ আফ্ৰিকাৰ দৰে এখন দেশত য'ত বৰ্ণ বৈষম্যৰ এক দীঘলীয় ইতিহাস আছে, ইয়াৰ নতুন সংবিধানে এই দেশৰ চৰকাৰক সেই বৰ্ণ বৈষম্যবাদ আঁতৰ কৰিবলৈ ক্ষমতা দিব লাগিব। অধিক ইতিবাচকভাবে ক'বলৈ হ'লে এখন সংবিধানে এখন সমাজৰ আশা-আকাংক্ষাবোৰক অন্তৰ্ভূক্ত কৰে। উদাহৰণ স্বৰূপে ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে ভাবিছিল যে সমাজৰ প্ৰত্যেক ব্যক্তিৰেই এক নূন্যতম জীয়াই থকাৰ মৰ্য্যদা আৰু সামাজিক আত্মসন্মান, নুন্যতম শিক্ষা বস্তুগত উন্নয়নৰ কাৰণে অধিকাৰ থাকিব লাগিব। ভাৰতীয় সংবিধানে চৰকাৰৰ ওপৰত এনে ক্ষমতা অৰ্পণ কৰিছে যাৰ জৰিয়তে জনসাধাৰণৰ ইতিবাচক কল্যাণ সাধন কৰিব পাৰি। আমি যদি ভাৰতীয় সংবিধানখন পঢ়ো তেতিয়া আমি এনেধৰণৰ ব্যৱস্থা পাওঁ যিবোৰক প্ৰস্তাৱনাই স্বীকৃতি দিছে। এনে ব্যৱস্থাবোৰ সংবিধানৰ তৃতীয় অধ্যায়ত পোৱা যায়। ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিসমূহেও চৰকাৰক জনসাধাৰণৰ আশা-আকাংক্ষাবোৰ পূৰাবৰ বাবে কতৃত্ব দিছে।



*সংবিধানত ভাল ভাল কথা লিখাৰ কিনো অসুবিধা? যদি সেই কথাবোৰে মানুহৰ জীৱন সলনি কৰিব নোৱাৰে তেতিয়াহলে সেইবোৰ লিখি কি লাভ?*

সংবিধানৰ চতুৰ্থ কামটো হৈছে চৰকাৰক সমাজৰ আশা-আকাংক্ষাবোৰ পূৰণ কৰিব পৰাকৈ ক্ষমতা প্ৰদান কৰা আৰু এক ন্যায়সংগত সমাজ ব্যৱস্থা গঠনত সহায় কৰা।

**সংবিধানৰ ক্ষমতা প্ৰদান কৰাৰ ব্যৱস্থাসমূহ (Enabling provisions of the constitution)**

**সংবিধানসমূহ কেৱল চৰকাৰৰ ক্ষমতা নিয়ন্ত্ৰণ কৰা নীতি নিয়মৰ সমষ্টিয়েই নহয় সেইবোৰে চৰকাৰক সমাজৰ সমূহীয়া মংগলৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষমতাও প্ৰদান কৰে।**

- দক্ষিণ আফ্ৰিকাৰ সংবিধানে চৰকাৰৰ ওপৰত বহুতো দায়িত্ব অৰ্পণ কৰিছে। এই সংবিধানে বিচাৰে যে চৰকাৰে প্ৰকৃতিৰ সংৰক্ষণৰ কাৰণে ব্যৱস্থা লব লাগে, মানুহক বৈষম্যৰ পৰা ৰক্ষণা বেক্ষণ দিব লাগে আৰু সকলোৰে বাবে ঘৰ দুৱাৰ, স্বাস্থ্য আদিৰ ব্যৱস্থা কৰিব লাগে।
- ইণ্ডোনেছিয়াৰ ক্ষেত্ৰত সংবিধানে চৰকাৰক ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা পৰিচালনা কৰাৰ দায়িত্ব দিছে। সংবিধান অনুসৰি সেই দেশৰ দুখীয়া শিশু সকলৰ দ্বায়িত্বভাৰো চৰকাৰৰ ওপৰতে ন্যস্ত থাকে।

DAILY ASSAM




### জনসাধাৰণৰ মৌলিক পৰিচয় (Fundamental identity of a people)

চূড়ান্তভাৱে আৰু অতি গুৰুত্বপূৰ্ণভাবে এখন সংবিধানে জনসাধাৰণৰ মৌলিক পৰিচয় দাঙি ধৰে ।

ইয়াৰ অৰ্থ এয়ে যে এক সামূহিক সত্বা হিচাবে সংবিধানৰ জৰিয়তে জনসাধাৰণৰ অস্তিত্ব গম পোৱা যায়। জনসাধাৰণ কিদৰে শাসিত হব সেই সম্বন্ধে কিছুমান সামূহিক নীতি গ্ৰহণ কৰি জনসাধাৰণৰ সামূহিক সত্বা গঢ় লৈ উঠে। সংবিধান গ্ৰহণ কৰাৰ আগতে এজনৰ বেলেগ বেলেগ পৰিচয় থাকিব পাৰে। কিন্তু কিছুমান মৌলিক নীতি আৰু আদৰ্শক স্বীকৃতি দিয়াৰ পাছত এজন ব্যক্তিৰ মৌলিক ৰাজনৈতিক পৰিচয় গঢ় লৈ উঠে। দ্বিতীয়তে সাংবিধানিক নীতিসমূহ এনে এক ব্যাপক কাঠামো যাৰ ভিতৰতেই ব্যক্তিয়ে নিজৰ ব্যক্তিগত আশা-আকাঙ্খা, লক্ষ্য আৰু স্বাধীনতাৰ ইচ্ছা পূৰণৰ দিশত আগবাঢ়িব পাৰে। সংবিধানে আমি কৰা বা নকৰা কামৰ ওপৰত কৰ্তৃত্বশীল বাধা আৰোপ কৰিব পাৰে। তদুপৰি ই কিছুমান মৌলিক মূল্যবোধ নিৰূপিত কৰে যিবোৰ অতিক্ৰম কৰাটো আমাৰ বাবে অসম্ভৱ হৈ পৰে। গতিকে এখন সংবিধানে এজন ব্যক্তিৰ নৈতিক পৰিচয়ো দাঙি ধৰে। তৃতীয়তে এইটো কব পাৰি যে বহুতো মৌলিক ৰাজনৈতিক আৰু নৈতিক মূল্যবোধ বৰ্ত্তমান বিভিন্ন সাংবিধানিক পৰম্পৰাৰ ক্ষেত্ৰত দেখিবলৈ পোৱা গৈছে।

যদি আমি পৃথিৱীৰ বিভিন্ন সংবিধানসমূহলৈ চাওঁ, তেতিয়া আমি চৰকাৰ গঠনৰ ফালৰ পৰা ভিন্নতা দেখিবলৈ পাওঁ। কিন্তু তাৰ লগতে সংবিধানসমূহে বহুবোৰ এনেধৰণৰ

**ব্যংগ চিত্ৰখন পঢ়া**




*ছাদ্দাম হুছেইনৰ পতনৰ পাছত ইৰাকৰ নতুন সংবিধান ৰচনা কৰোতে বিভিন্ন নৃ-গোষ্ঠীয় সম্প্ৰদায়সমূহৰ মাজত যথেষ্ট সংঘাত দেখা গৈছিল। এই বেলেগ বেলেগ লোকসকলৰ প্ৰকৃত অৰ্থ কি? ইয়াত উল্লেখ কৰা সংঘাতবোৰ ইউৰোপীয় ইউনিয়ন আৰু ভাৰত সম্বন্ধীয় আগৰ ব্যঙ্গ চিত্ৰৰ সৈতে তুলনা কৰা।*

DAILY ASSAM



কথা সন্নিবিষ্ট কৰে। বেছিভাগ আধুনিক সংবিধানেই গণতান্ত্ৰিক চৰকাৰৰ সৃষ্টি কৰিছে। এনেধৰণৰ সংবিধানে জনসাধাৰণৰ মৌলিক অধিকাৰসমূহ সুৰক্ষিত কৰা বুলি দাবী কৰে। কিন্তু প্ৰকৃতিগত পৰিচয় সন্নিবিষ্ট কৰাৰ ক্ষেত্ৰত সংবিধানসমূহৰ ভিন্নতা পৰিলক্ষিত হয়। বেছিভাগ ৰাষ্ট্ৰই হৈছে এক জটিল ঐতিহাসিক পৰম্পৰাৰ মিশ্ৰণ। ৰাষ্ট্ৰৰ কাঠামোৰ ভিতৰতে বিভিন্ন জাতি-জনজাতিৰ মিলন ঘটে। উদাহৰণ স্বৰূপে জাৰ্মানীৰ সংবিধানে জাৰ্মান নৃ-গোষ্ঠীয় পৰিচয়ৰ ওপৰত সাবিধানিক পৰিচয় গঢ়ি তুলিছে। সংবিধানে এই পৰিচয়ক স্বীকৃতি দিছে। কিন্তু ভাৰতীয় সংবিধানে নৃ-গোষ্ঠীয় পৰিচয়ৰ ওপৰত সাংবিধানিক পৰিচয় দাঙি ধৰা নাই। বিভিন্ন ৰাষ্ট্ৰই ৰাষ্ট্ৰৰ বিভিন্ন অঞ্চলৰ মাজত তথা অঞ্চলসমূহ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত কেনেধৰণৰ সম্বন্ধ হ'ব সেইবিষয়ে বেলেগ বেলেগ ধাৰণা সংবিধানত সন্নিবিষ্ট কৰিছে।

### তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা

তলত ভাৰতীয় আৰু অন্য সংবিধানৰ কিছুমান বিধান বা আইন উল্লেখ কৰা হৈছে। প্ৰত্যেকটো বিধানৰ কাৰ্য কেনেকুৱা বিচাৰ কৰা।

| | |
|---|---|
| চৰকাৰে কোনো নিৰ্দিষ্ট ধৰ্ম পালন কৰা বা নকৰাৰ বাবে কোনো নাগৰিককে নিৰ্দেশ দিব নোৱাৰে। | চৰকাৰৰ ক্ষমতাৰ ওপৰত সীমাবদ্ধতা আছে। |
| চৰকাৰে নাগৰিকৰ আয় আৰু সম্পত্তিৰ অসমানতা দূৰ কৰাৰ প্ৰয়াস কৰিব লাগে | |
| প্ৰধানমন্ত্ৰীক নিযুক্তি দিয়াৰ ক্ষমতা ৰাষ্ট্ৰপতিৰ আছে<br>সংবিধানখন হৈছে সৰ্ব্বোচ্চ আইন, যাক সকলো নাগৰিকে মানি চলিবলৈ বাধ্য। | |
| ভাৰতীয় নাগৰিকত্ব কোনো জাকি, উপ-জাতি নাইবা ধৰ্মৰ বাবে সীমাবদ্ধ নহয়। | |

## সংবিধানৰ কৰ্তৃত্ব (The Authority of a Constitution)

ইতিমধ্যে আমি কোনো এখন দেশৰ সংবিধানৰ কাৰ্যৱলীৰ সম্পৰ্কত আলোচনা কৰিছো। এই কাৰ্যৱলীসমূহে সমাজ এখনে কিয় সংবিধান মানি চলে তাৰ ব্যাখ্যা আগবঢ়াইছে। কিন্তু ইয়াতো আমি সংবিধানকলৈ তিনিটা গুৰুত্বপূৰ্ণ প্ৰশ্ন সুধিব পাৰো—

(ক) সংবিধান মানে কি ?

(খ) এখন সংবিধান কেনেকৈ সফল হয় ?

(গ) সংবিধান এখন বিধি সন্মত হয়নে ?

বহুতো দেশত সংবিধান হৈছে কিছুমান অনুচ্ছেদ সন্নিবিষ্ট এখন জটিল দলিল য'ত ৰাষ্ট্ৰখনৰ সংগঠিত ৰূপটোৰ লগতে ৰাষ্ট্ৰখনে পালন কৰিবলগীয়া নীতি নিৰ্দেশনা সমূহ ব্যাখ্যা কৰা হয়। আমি যেতিয়া এখন দেশৰ সংবিধানৰ কথা সুধিম সাধাৰণতে এই শ্ৰেণীৰ দলিলৰ কথাকে বুজাম। কিন্তু ইংলেণ্ডৰ দৰে কিছুমান দেশত 'সংবিধান' বুলি ক'ব পৰাকৈ এখনো একক দলিল নাই। ইয়াৰ পৰিবৰ্তে তেওঁলোকে সামূহিকভাৱে গ্ৰহণ কৰা কিছুমান সিদ্ধান্ত আৰু দলিলক সংবিধান হিচাপে অভিহিত কৰা হৈছে। সেই কাৰণে, আমি ক'ব পাৰো যে সংবিধান হ'ল এখন দলিল বা কিছুমান দলিলৰ সমষ্টি যাক আমি ওপৰত উল্লেখ কৰা ধৰণে কাৰ্যত ৰূপায়ণ কৰিব পাৰো।

পৃথিৱীৰ বহু সংবিধান কেৱল মাত্ৰ কাগজৰ লিখনীতে সীমাবদ্ধ হৈ আছে। সেইবোৰ কাগজত থকা কিছুমান শব্দ মাথো। এই ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে যে- এখন সংবিধান কিমান দূৰ সক্ৰিয় ? কি কি কাৰকে ইয়াক সক্ৰিয় কৰি ৰাখে ? কিহে সুনিশ্চিত কৰে যে জনসাধাৰণৰ জীৱনৰ ওপৰত ইয়াৰ এক প্ৰকৃত প্ৰভাৱ আছে। সাধাৰণতে এখন সংবিধান সক্ৰিয় হৈ থকাটো বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰ কৰে।

## সংবিধান বলবৎ কৰাৰ উপায় (Mode of Promulgation)

ইয়াৰ অৰ্থ হৈছে কিদৰে এখন সংবিধান কাৰ্যত বলবৎ কৰা হৈছে। কোনে সংবিধানখন ৰচনা কৰিছে আৰু ইয়াত তেওঁলোকৰ কৰ্তৃত্ব কিমান ? কিছুমান দেশত সংবিধানৰ কাৰ্যকাৰিতাই সফলতা লাভ কৰিব নোৱাৰে কিয়নো এনে সংবিধান কিছুমান সেনা বিষয়াই প্ৰস্তুত কৰিছিল বা এনে কিছুমান নেতাই প্ৰস্তুত কৰিছিল যি সকলে

DAILY ASSAM





*জনসাধাৰণে কি কৰিব যদি তেওঁলোকে বিচাৰি উলিয়াইছে যে তেওঁলোকৰ সংবিধানখন ন্যায়সংগত নহয়? জনসাধাৰণে কি কৰিব যেতিয়া সংবিধানখন এখন কাগজৰ ওপৰত হে কেৱল বৰ্তি থাকিব।*

জনসাধাৰণক লগত লৈ কাম কৰিবলৈ অপাৰগ আছিল। আটাইতকৈ সফল হিচাপে স্বীকৃতি পোৱা ভাৰত, দক্ষিন আফ্ৰিকা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধান কেইখন তেওঁলোকৰ স্বাধীনতা আন্দোলনৰ পাছতে ৰচনা কৰা হৈছিল। যদিও ভাৰতীয় সংবিধানখন ১৯৪৬ চনৰ ডিচেম্বৰৰ পৰা ১৯৪৯ চনৰ নৱেম্বৰৰ ভিতৰত সংবিধান সভাই আনুষ্ঠানিকভাৱে প্ৰস্তুত কৰি উলিয়াইছিল। ইয়াক ভাৰতীয় স্বাধীনতা আন্দোলনৰ ভিত্তিত প্ৰস্তুত কৰাৰ কাৰণে ই ভাৰতীয় সকলো শ্ৰেণীৰ লোককে সাঙুৰি ল'বলৈ সক্ষম হৈছিল। ভাৰতীয় সংবিধানে জনসাধাৰণৰ পৰা সম্পূৰ্ণ বিশ্বাস লাভ কৰিবলৈ সক্ষম হৈছিল। সেই কাৰণে বিভিন্ন শ্ৰেণীৰ মানুহৰ পৰা যথাযোগ্য সন্মান পাবলৈ সক্ষম হৈছিল। লগতে সংবিধানখন ব্যক্তিগত শক্তি বৃদ্ধিৰ আহিলা নহয় বুলিও ইয়াক মান্তি কৰাব পাৰিছিল। সংবিধানৰ মূখ্য দলিলখনে বিস্তৃতভাৱে ভাৰতবৰ্ষৰ জাতীয় ঐক্যমতক প্ৰতিফলিত কৰিছিল।

কিছুমান দেশত সংবিধানখনক পূৰ্ণ পৰ্য্যায়ৰ গণভোটলৈ আগবঢ়াই দিয়া হয় যাতে জনসাধাৰণে সংবিধানৰ প্ৰয়োজনীয়তাৰ ওপৰত নিজস্ব ভোটাধিকাৰ প্ৰদান কৰিব পাৰে। ভাৰতীয় সংবিধানখনে এনে ধৰণৰ গণভোটৰ ভিত্তিত প্ৰস্তুত কৰা হোৱা নাই, তথাপিও ইয়াত ৰাইজৰ পূৰ্ণ কৰ্তৃত্ব আছে কাৰণ ই ৰাইজৰ ঐক্যমতৰ ওপৰত আৰু জনপ্ৰিয় নেতা সকলৰ সমৰ্থনৰ ভিত্তিত গঢ়ি উঠিছে। যদিও ইয়াক গণভোটৰ ভিত্তিত প্ৰস্তুত কৰা হোৱা নাই, জনসাধাৰণে ইয়াক নিজৰ সংবিধান হিচাপে গ্ৰহণ কৰিছে আৰু ইয়াত সন্নিবিষ্ট নীতি নিৰ্দেশনাবোৰ মানি চলিছে। সেই কাৰণে জনসাধাৰণৰ যি কৰ্তৃত্বৰ ভিত্তিত প্ৰণয়ন কৰা হৈছে সেই কতৃত্বই সংবিধানৰ সফলতা আংশিকভাৱে হ'লেও নিৰ্ণয় কৰিছে।

## সংবিধানৰ মুল ব্যৱস্থাসমূহ (The Subtantive Provisions of a constitution)

সফল সংবিধান এখনৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ হৈছে এই যে— ই সমাজৰ প্ৰত্যেক লোককে সংবিধানৰ ব্যবস্থাসমূহৰ সৈতে আগবাঢ়ি

DAILY ASSAM



যোৱাৰ সুবিধা দিয়ে। এনে এখন সংবিধান যিখনে স্থায়ী সংখ্যা গৰিষ্ঠক সমাজৰ সংখ্যালঘু সকলক শোষণ কৰাৰ এটা সুবিধা দিয়ে, তেনে এখন সংবিধানৰ সৈতে সংখ্যালঘুসকলে আগবাঢ়ি যোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। তদুপৰি এখন সংবিধান যিখনে এচাম লোকক আন এচাম লোকৰ বিনিময়ত সুবিধা দিয়ে বা পদ্ধতিগতভাবে সমাজৰ এক ক্ষুদ্ৰ গোষ্ঠীৰ হাতত ক্ষমতা কেন্দ্ৰীভূত কৰে, তেনে এক সংবিধানে জনসাধাৰণৰ আনুগত্য লাভ কৰিবলৈ ব্যৰ্থ হব। যদি সমাজৰ যিকোনো গোষ্ঠীয়ে ভাবে যে তেওঁলোকৰ অস্থিত্বক আওকান কৰা হৈছে, সেই সংবিধানৰ দ্বাৰা পালিত হোৱাত তেওঁলোকৰ যুক্তি নাথাকিব। সংবিধানে নিজৰববীয়াকৈ বিশুদ্ধ ন্যায়ও প্ৰদান কৰিব নোৱাৰে। কিন্তু ই জনসাধাৰণক পতিয়ন নিয়াব লাগিব যে ই এনেকুৱা এক কাঠামুৰ সৃষ্টি কৰিছে যাৰ জৰিয়তে মৌলিক ন্যায় পোৱাটো সম্ভৱ হৈ উঠিব।

এই কথা চিন্তা কৰাচোন। নিজকে এই প্ৰশ্নটো সোধাচোন সমাজত মৌলিক নীতি নিয়মসমুহ কেনেকুৱা হ'ব লাগে যিবোৰ সমাজৰ সকলোৱে গ্ৰহণ কৰিব।

এখন সংবিধানে যিমানেই অধিক স্বাধীনতা আৰু সমতা দিব পাৰিব



**নেপালত সংবিধান প্ৰস্তুতকৰণৰ ওপৰত বিতৰ্ক :**

সংবিধান এখন প্ৰস্তুত কৰাটো ইমান সহজ কাম নহয়। সংবিধান প্ৰস্তুত কৰাৰ জটিল প্ৰকৃতিৰ এক অন্যতম উদাহৰণ হৈছে — 'নেপাল'। ১৯৪৮ চনৰ পৰা নেপালৰ ৫ খন সংবিধান আছিল। ১৯৪৮ চনত; ১৯৫১চন; ১৯৫৯ চন; ১৯৬২ চন আৰু ১৯৯০ চনত এই ৫ খন সংবিধান বলবৎ কৰা হৈছিল। কিন্তু এই সকলোবোৰ সংবিধান নেপালৰ ৰজাই দিয়া সংবিধান। ১৯৯০ চনৰ সংবিধানে এক বহু দলীয় ব্যৱস্থাৰ আৰম্ভ কৰিছিল। কিন্তু তাৰ মাজতো চুড়ান্ত ক্ষমতা ৰজাৰ হাততেই ন্যস্ত আছিল। যোৱা দহ বছৰ ধৰি নেপালে নিজৰ ৰাজনৈতিক ব্যৱস্থাটো পৰ্ণগঠন কৰাৰ বাবে হিংসাত্মক আন্দোলনৰ সন্মুখীন হৈ আহিছে। নেপালৰ সংবিধানত ৰাজতন্ত্ৰৰ ভূমিকাই হৈছে আটাইতকৈ গুৰুত্বপৰ্ণ। নেপালৰ একাংশ লোকে ৰাজতন্ত্ৰৰ অৱসান ঘটাই গনৰাজ্য প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। আন একাংশ লোকে এক সীমিত ৰাজতন্ত্ৰৰ ওপৰত গুৰুত্ব দিছিল। ৰজাই নিজেও ক্ষমতা এৰি দিয়াৰ পক্ষত নাছিল। ২০০২ চনৰ অক্টোবৰ মাহত ৰজাই সকলোবোৰ ক্ষমতা গ্ৰহণ কৰিছিল।

নেপালৰ বহুবোৰ ৰাজনৈতিক দল আৰু সংগঠনে এখন নতুন সংবিধান সভা গঠন কৰিবলৈ দাবী জনাই আহিছে। নেপালৰ কমিফনিষ্ঠ পাৰ্টি (মাওবাদী)য়ে জনপ্ৰিয়ভাবে নিৰ্বাচিত সংবিধান সভাৰ দাবীটো সদায়েই আগবঢ়াই আহিছে। শেহতীয়াকৈ জনপ্ৰিয় আন্দোলনৰ হেঁচাত ৰজাই সকলোৰে কাৰণে গ্ৰগণযোগ্য হোৱাকৈ এখন চৰকাৰ গঠন কৰিছে। এই চৰকাৰে ৰজাৰ সকলোবোৰ ক্ষমতাই কৰ্তন কৰিছে। এতিয়া সকলোবোৰ দল লগ লাগি কিদৰে এখন সংবিধান সভা গঠন কৰিব সেই সম্বন্ধে প্ৰচেষ্টা চলাই আছে।

DAILY ASSAM



সিমানেই ই সাফল্যমণ্ডিত হ'ব। ভাৰতীয় সংবিধানে বহলভাবে প্ৰত্যেকজন লোকক ইয়াৰ চাৰিসীমাৰ ভিতৰত বিচৰণ কৰাৰ সুযোগ দিছেনে? এই কিতাপখন পঢ়াৰ পিছত প্ৰত্যেকেই এই প্ৰশ্নটো ইতিবাচক ৰূপত দিবলৈ সক্ষম হোৱা উচিত।

### ভাৰসাম্য আনুষ্ঠানিক আৰ্হি (Balanced Institutional Design)

এইটো প্ৰায়ে দেখা যায় যে জনসাধাৰণে নহয়, নিজৰ ক্ষমতা বৃদ্ধি কৰিব খোজা সৰু সৰু গোষ্ঠী বা দলসমূহে সংবিধানক সময়ে সময়ে অবদমিত কৰিব খোজে। কিন্তু সুন্দৰভাবে লিপিবদ্ধ সংবিধানে ক্ষমতাৰ বিভাজন এনেদৰে কৰে যে কোনো এটা দল বা গোষ্ঠীয়ে সংবিধানক অবদমিত কৰিব নোৱাৰে। এনেধৰণৰ ক্ষমতাৰ বিভাজনে এই কথা সুনিশ্চিত কৰে যাতে কোনো এক অনুষ্ঠানে একচেটিয়াভাবে ক্ষমতাৰ বিভাজন কৰিব নোৱাৰে। সেয়েহে ক্ষমতা বিভাজন কৰি ভিন ভিন অনুষ্ঠানৰ মাজত ভগাই দিয়া হয়। ভাৰতীয় সংবিধানে কাৰ্য্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকা তথা নিৰপেক্ষ সাংবিধানিক অনুষ্ঠান যেনে নিৰ্ব্বাচনী আয়োগৰ মাজত সমান্তৰালভাবে ক্ষমতাৰ বিভাজন কৰিছে। এনে ব্যৱস্থাই এটা কথাই সুনিশ্চিত কৰে যে যদি এটা অনুষ্ঠানে সংবিধানখন অবদমিত কৰিব বিচাৰে তেন্তে আন অনুষ্ঠানসমূহে এনে কামত বাধা দিব। এনে একপ্ৰতিৰোধ আৰু সন্তোলন (Cheek and balances) ব্যৱস্থাই ভাৰতীয় সংবিধানৰ সফলতা নিশ্চিত কৰিছে।

এনে বিজ্ঞ সুষম আনুষ্ঠানিক নক্সাৰ আন এটা দিশ হৈছে যে সংবিধানে কিছুমান মূল্যবোধ আৰু পদ্ধতিক কৰ্তত্বশীল হিচাবে প্ৰতিষ্ঠা কৰিব লাগিব আৰু আনহাতেদি এইবোৰ ব্যৱহাৰৰ ক্ষেত্ৰত যথেষ্ট শিথিলতা প্ৰদান কৰি দুয়োটাৰে মাজত ভাৰসাম্য স্থাপন কৰিব লাগিব। অতি অনমনীয় সংবিধান পৰিবৰ্ত্তনৰ পৰিপ্ৰেক্ষিতত ভাঙি পৰিব পাৰে। আনহাতেদি অতি নমনীয় সংবিধানে জনসাধাৰণক উপযুক্ত নিৰাপত্তা বা পৰিচয় প্ৰদান কৰিব নোৱাৰে। সফল সংবিধানে প্ৰতিষ্ঠিত মৌলিক মূল্যবোধ আৰু নতুন পৰিস্থিতিত সেইবোৰৰ ব্যৱহাৰৰ মাজত উপযুক্ত ভাৰসাম্য প্ৰতিষ্ঠা কৰে। তোমালোকে এইখন কিতাপৰ নৱম অধ্যায়ত ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলৰ প্ৰজ্ঞা দেখিবলৈ পাবা। ভাৰতীয় সংবিধানক এক জীৱন্ত নথি হিচাবে বৰ্ণনা কৰা হৈছে। সংবিধানৰ ব্যৱস্থাসমূহৰ পৰিবৰ্ত্তনৰ সম্ভাবনীয়তা আৰু এনে পৰিবৰ্ত্তনৰ সীমাবদ্ধতাৰ মাজত ভাৰসাম্য স্থাপন কৰি ভাৰতীয় সংবিধানে এই কথা সুনিশ্চিত কৰিছে যে ই

DAILY ASSAM



এক সাংবিধানিক নথি হিচাবে সকলোৱে সন্মান পাই জীয়াই থাকিব।


সেইবাবে এখন সংবিধানৰ কর্তৃত্ব আছেনে নাই সেইকথা ঠাৱৰ কৰিবলৈ তুমি নিজকে তিনিটা প্রশ্ন সুধিব পাৰা ঃ

- যিসকল ব্যক্তিয়ে সংবিধানখন কার্যকৰী কৰিছিল তেওঁলোক কৃতিত্বৰ যোগ্য নে? এই অধ্যায়টোৰ বাকী থকা অংশত এই প্রশ্নটোৰ উত্তৰ পাবা।

  দ্বিতীয়তে সংবিধানে ক্ষমতাৰ এক বুদ্ধিদীপ্ত সংগঠন কৰিছেনে যাতে সমাজৰ কোনো দল বা গোষ্ঠীয়ে সংবিধানক সহজে অবদমিত কৰিব নোৱাৰে? তদুপৰি অতি গুৰুত্বপূর্ণভাবে সংবিধানে প্রত্যেককে কিবা নহয় কিবা দিছেনে যাতে সকলোৱে সংবিধানক সমর্থন কৰিব? এইখন কিতাপৰ বেছিভাগ অংশতেই এই প্রশ্নটো আলোচনা কৰা হৈছে।

- সংবিধানখন জনসাধাৰণৰ আশা আৰু আকাঙ্খাৰ কেন্দ্র বিন্দু হয়নে? এখন সংবিধানে জনসাধাৰণৰ পৰা অভ্যাসলব্ধ আনুগত্য লাভ কৰে নে নকৰে সেইকথা নির্ভৰ কৰিব সংবিধানখনৰ ব্যৱস্থাসমূহ ন্যায়সঙ্গত হয় নে নহয় সেই কথাৰ ওপৰত। ভাৰতীয় সংবিধানে স্বীকৃতি দিয়া ন্যায়ৰ নীতিসমূহ কি কি? এইখন কিতাপৰ শেষ অধ্যায়ত এই প্রশ্নৰ উত্তৰ পাবা।

**ব্যঙ্গ চিত্রখন পঢ়া**



"Castle of Cards", Ares, copyright Cagle Cartoons, SEP05

*কাৰ্টুনিষ্ট এজনে কিয় ইৰাকৰ নতুন সংবিধানখন এটা তাচ পাতৰ ঘৰৰ দৰে আঁকিছিল? এনে ধৰণৰ বিৱৰণ ভাৰতীয় সংবিধানত প্রয়োগ কৰিব পাৰিনে?*

## ভাৰতীয় সংবিধান কিদৰে প্রস্তুত কৰা হৈছিল? (How was the Indian Constitution made?)

এতিয়া আমি ভাৰতীয় সংবিধান কিদৰে প্রস্তুত কৰা হৈছিল সেই কথা বিচাৰ কৰিম। আনুষ্ঠানিকভাবে সংবিধান সভাই ভাৰতীয় সংবিধান প্রস্তুত কৰিছিল। সংবিধান সভা অবিভক্ত ভাৰতবর্ষৰ বাবে নির্বাচিত কৰা হৈছিল। ১৯৪৬ চনৰ ৯ ডিচেম্বৰ তাৰিখে

DAILY ASSAM



সংবিধান সভাৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হৈছিল আৰু ১৯৪৭ চনৰ ১৪ আগষ্ট তাৰিখে সংবিধান সভা বিভক্ত ভাৰতৰ সংবিধান সভা হিচাবে পুনৰ মিলিত হৈছিল। ইয়াৰ সদস্যসকল তদানীন্তন প্ৰাদেশিক বিধানমণ্ডল সমূহৰ দ্বাৰা নিৰ্বাচিত হৈছিল। এই প্ৰাদেশিক বিধানমণ্ডল সমূহ ১৯৩৫ চনত গঠন কৰা হৈছিল। সংবিধান সভা কেবিনেট মিছনৰ প্ৰস্তাৱ অনুসৰিয়েই গঠন কৰা হৈছিল। এই ব্যৱস্থা অনুসৰিঃ-

- প্ৰত্যেক প্ৰদেশ আৰু দেশীয় ৰাজ্য বা ৰাজ্য গোষ্ঠীক সেইবোৰৰ জনসংখ্যাৰ হাৰত প্ৰায় ১:১০,০০,০০০ অনুপাতত আসন দিয়া হৈছিল। সেই অনুসৰি প্ৰদেশসমূহে ২৯২ জন সদস্যক নিৰ্বাচিত কৰিব আৰু দেশীয় ৰাজ্যসমূহক নূন্যতম ৯৩ খন আসন দিয়া হৈছিল।
- প্ৰত্যেক প্ৰদেশৰ আসনসমূহ তিনিটা মূল সম্প্ৰদায় অৰ্থাৎ মুছলমান, শিখ আৰু সাধাৰণৰ শ্ৰেণীৰ মাজত তেওঁলোকৰ জনসংখ্যা অনুপাতত ভাগ কৰা হৈছিল।
- প্ৰাদেশিক বিধানমণ্ডলসমূহত প্ৰত্যেক লোকসকলে সামানুপাতিক প্ৰতিনিধিত্বৰ সৈতে একক হস্তান্তৰযোগ্য ভোটৰ ভিত্তিত নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰিছিল।
- দেশীয় ৰাজ্যসমূহৰ ক্ষেত্ৰত প্ৰতিনিধি নিৰ্বাচনৰ পদ্ধতি আলোচনাৰ ভিত্তিত ঠাৱৰ কৰা হৈছিল।

"আমি আমাৰ ৰাজনৈতিক গণতন্ত্ৰক সামাজিক গণতন্ত্ৰ হিচাবেও গঢ়ি তুলিব লাগিব। সামাজিক গণতন্ত্ৰৰ ভেঁটিত প্ৰতিষ্ঠিত নহ'লে ৰাজনৈতিক গণতন্ত্ৰ দীৰ্ঘস্থায়ী হ'ব নোৱাৰে। সামাজিক গণতন্ত্ৰ বুলি কলেনো আমি কি বুজো? ই আচলতে জীৱন-যাপনৰ এক পদ্ধতিকে সূচায় য'ত স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধক জীৱনৰ নীতি হিচাবে স্বীকৃত দিয়া হয়। ত্ৰিমূৰ্ত্তিসদৃশ স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধৰ এই তিনি নীতিক এটাৰ পৰা আনটোক পৃথকভাৱে চোৱা সমীচিন নহ'ব। এই নীতিসমূহ একত্ৰিত হৈ ত্ৰিমূৰ্তিৰ ৰূপ লয় আৰু এটা নীতিক আনটোৰ পৰা পৃথক কৰিব খুজিলে গণতন্ত্ৰৰ মূল লক্ষ্যই বিপৰ্যস্ত হ'ব। স্বাধীনতাক সমতাৰ পৰা পৃথক কৰিব নোৱাৰি, সমতাক স্বাধীনতাৰ পৰা পৃথক কৰিব নোৱাৰি। আকৌ স্বাধীনতা আৰু সমতাক ভাতৃত্ববোধৰ পৰা পৃথক কৰিব নোৱাৰি। সমতা নাথাকিলে স্বাধীনতাই আচলতে গৰিষ্ঠসংখ্যকৰ ওপৰত মুষ্টিমেয় শ্ৰেণীৰ আধিপত্যৰ পথহে সুগম কৰিব। স্বাধীনতাবিহীন সমতাই ব্যক্তিৰ উদ্যম আৰু উদ্যোগক নিঃশেষ কৰি পেলাব। ভাতৃত্ববোধ নাথাকিলে স্বাধীনতা আৰু সমতা স্বাভাৱিক বা সহজাত কথা নৈ নাথাকিব।"

ড° বি. আৰ. আম্বেদকাৰ, সংবিধান সভা বিতৰ্ক, ভলিউম XI, ২৫ নৱেম্বৰ, ১৯৪৯

DAILY ASSAM



এই অধ্যায়ৰ আগৰ অংশত যি তিনিটা কাৰকে সংবিধানক সক্ৰিয় আৰু সন্মানজনক ৰূপত প্ৰতিষ্ঠা কৰে সেই বিষয়ে আলোচনা কৰা হ'ল। ভাৰতীয় সংবিধানে এই পৰীক্ষাত কিমানদূৰ উত্তীৰ্ণ হ'ল?

### সংবিধান সভাৰ গঠন (Composition of the constituent Assembly)

১৯৪৭ চনৰ ৩ জুন তাৰিখৰ পৰিকল্পনা অনুসৰি ভাৰত বিভাজন হোৱাত যিসকল সদস্য পাকিস্তানৰ এলেকাৰ পৰা নিৰ্বাচিত হৈছিল সেইসকল আৰু সংবিধান সভাৰ সদস্য হৈ নাথাকিল। সংবিধান সভাৰ সদস্য সংখ্যা সেয়েহে ২৯৯ জনলৈ হ্ৰাস পালে। ১৯৪৯ চনৰ ২৬ নৱেম্বৰ তাৰিখে ইয়াৰে ২৮৪ জন সদস্য সংবিধান সভাত উপস্থিত আছিল আৰু সংবিধানৰ চূড়ান্ত ৰূপত স্বাক্ষৰ প্ৰদান কৰিছিল। দেশ বিভাজনৰ ফলত সৃষ্টি হোৱা সাম্প্ৰদায়িক হিংসাৰ পৰিপ্ৰেক্ষিততেই ভাৰতীয় সংবিধান ৰচনা কৰা হৈছিল। কিন্তু সংবিধান প্ৰণেতাসকলক শ্ৰদ্ধা জনাবই লাগিব। কিয়নো তেওঁলোকে প্ৰচণ্ড হেচাৰ মাজতো সাম্প্ৰদায়িক হিংসাৰ পৰা শিক্ষা গ্ৰহণ কৰি সংবিধান প্ৰস্তুত কৰিবলৈ সক্ষম হৈছিল। তদুপৰি সংবিধানখনে নাগৰিকত্বৰ দৰে এটা নতুন ধাৰণা সৃষ্টি কৰিছিল য'ত অকল সংখ্যালঘু সকলেই নিৰাপদ নাছিল। কিন্তু নাগৰিকত্বৰ অধিকাৰসমূহো ধৰ্মীয় প্ৰভাবৰ পৰা মুক্ত আছিল।

কিন্তু সংবিধান প্ৰস্তুত কৰাৰ এনে বৰ্ণনাই সংবিধান প্ৰস্তুতকৰণৰ এক উপৰুৱা ভাষ্যহে দাঙি ধৰে। যদিও সংবিধান সভাৰ সদস্যসকল সাৰ্ব্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত নিৰ্বাচিত হোৱা নাছিল, সংবিধান সভাক প্ৰকৃতাৰ্থত প্ৰতিনিধিত্বমূলক কৰি তুলিবলৈ গুৰুত্ব সহকাৰে প্ৰচেষ্টা চলোৱা হৈছিল। সকলো ধৰ্মৰ লোককে সংবিধান সভাত প্ৰতিনিধিত্ব দিয়া হৈছিল। তদুপৰি সভাত ২৬ জন অনুসূচীত জাতিৰ লোককো আসন দিয়া হৈছিল। ৰাজনৈতিক দলসমূহৰ ভিতৰত কংগ্ৰেছে আসনসমূহৰ প্ৰায় শতকৰা ৮২% খন আসন দখল কৰিবলৈ সক্ষম হৈছিল। কংগ্ৰেছ এনে এক বিশাল ৰাজনৈতিক দল আছিল যে ই এই দলৰ ভিতৰতে সকলোধৰণৰ মতামতক আশ্ৰয় দিবলৈ সমৰ্থ হৈছিল।



*সংবিধান সভা ভাৰতবৰ্ষৰ সকলো জনসাধাৰণে নিৰ্বাচন কৰাহেঁতেন কি হ'লহেতেন? ই যিটো আছিল তাতকৈ সম্পূৰ্ণৰূপে বেলেগ হ'লহেতেন নেকি?*

আলোচনাৰ নীতি (The Principle of Deliberationd)

সংবিধান সভাৰ কৰ্তৃত্ব কেৱলমাত্ৰ এই কথাৰ পৰা নাহে যে ই বহলভাবে প্ৰতিনিধিত্বমূলক। ইয়াৰ কৰ্তৃত্ব মূলতঃ এই কথাৰ পৰা আহে যে ই এক নিৰ্দ্দিষ্ট পদ্ধতি সংবিধান প্ৰস্তুত কৰাৰ কাৰণে গ্ৰহণ কৰিছে আৰু ইয়াৰ সদস্যসকলে কিছুমান মূল্যবোধৰ ভিত্তিত তেওঁলোকৰ আলোচনা আগবঢ়াই নিছে। যেতিয়া যিকোনো বিধান মণ্ডলে নিজকে প্ৰতিনিধিত্বমূলক হিচাবে দাবী কৰে, এইটো বাঞ্ছনীয় যে সমাজৰ বিভিন্ন অংশৰ লোকে ইয়াত অংশগ্ৰহণ কৰে। তদুপৰি তেওঁলোকে কেৱল নিজৰ ব্যক্তিগত বা সমূহীয়া পৰিচয় ৰক্ষাৰ বাবে আলোচনাত অংশ গ্ৰহণ নকৰে, তেওঁলোকে সমগ্ৰ জাতিটোৰ কথা ভাবিহে আলোচনাত আগবাঢ়ে। সদস্যসকলৰ মাজত অতি সঘনাই মতবিৰোধ হৈছিল। হয়াৰে কিছুমান মতবিৰোধ সদস্যসকলে নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ যাওতে গঢ়ি উঠিছিল।

নীতিগত ক্ষেত্ৰতো সদস্যসকলৰ মাজত কিছুমান বৈধ মতবিৰোধ গঢ়ি উঠিছিল। এনে মতবিৰোধবোৰ বিভিন্ন ধৰণৰ আছিল— ভাৰতবৰ্ষই কেন্দ্ৰীভূত নে বিকেন্দ্ৰীভূত ব্যৱস্থা গ্ৰহণ কৰিব লাগে? কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ সম্পৰ্ক কেনে হব লাগে? ন্যায়পালিকাৰ ক্ষমতা কেনে হোৱা উচিত? সংবিধানে সম্পত্তিৰ অধিকাৰক ৰক্ষণাবেক্ষণ দিব লাগেনে? এনে প্ৰত্যেকটো বিষয় যিবোৰে আধুনিক ৰাষ্ট্ৰ ব্যৱস্থাৰ ভেটি গঢ়ি তোলে, সেই সকলোবোৰেই সংবিধান সভাত বহলভাবে আলোচনা কৰা হৈছিল। সংবিধানৰ কেৱল মাত্ৰ এটা ব্যৱস্থা কোনো ধৰণৰ আলোচনা নোহোৱাকৈয়ে গ্ৰহণ কৰা হৈছিল আৰু সেইটো আছিল— সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ। সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ অৰ্থ এয়ে যে— এটা নিৰ্দ্দিষ্ট বয়সৰ পিছত জাতি ধৰ্ম, শিক্ষা, লিংগ ভেদে সকলোৱে ভোটদানৰ অধিকাৰ পাব। সেইকাৰণে সংবিধান সভাৰ সদস্যসকলে সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ব্যৱস্থাটো কোনো ধৰণৰ আলোচনা নোহোৱাকৈ গ্ৰহণ কৰিছিল। ইয়াৰ বাহিৰে আন সকলোবোৰ বিষয় খৰচি মাৰি আৰু বিতংভাবে আলোচনা কৰা হৈছিল। সংবিধান সভাৰ গণতান্ত্ৰিক চৰিত্ৰৰ ইয়াতকৈ আৰু বেলেগ প্ৰমাণৰ প্ৰয়োজন নাই।

সংবিধানে ইয়াৰ কৰ্তৃত্ব জনসাধাৰণৰ সামুহিক মুক্তিৰ ভিত্তিত লাভ কৰিছিল। সংবিধানসভাৰ সদস্যসকলে আলোচনা আৰু যুক্তিৰ ওপৰত গুৰুত্ব দিছিল।

তেওঁলোকে কেৱল নিজৰ স্বাৰ্থ পূৰণৰ বাবে যুক্তি আগবঢ়োৱা নাছিল, তেওঁলোকে আন আন সদস্য সকললৈও নীতিৰ ভিত্তিত সমৰ্থন আগবঢ়াইছিল। সদস্যসকলে যে আন সদস্যকো নীতিৰ ভিত্তিক সমৰ্থন দিছিল, সেই কথাই ইয়াকে প্ৰমাণ কৰে যে— তেওঁলোকে কোনো ধৰণৰ ঠেক মনোবৃত্তিৰ পৰিবৰ্তে এক সামুহিক সচেতনতা দেখুৱাইছিল যাতে সকলোকে একেলগে আগবঢ়াই লৈ যাব পাৰে। দৰাচলতে সংবিধান সভাৰ বিতৰ্কৰ ওপৰত যি বিৰাট খণ্ড প্ৰকাশিত হৈছে য'ত সংবিধানৰ প্ৰতিটো অনুচ্ছেদৰে বিস্তৃত আলোচনা আছে, ই ৰাজহুৱা যুক্তিৰ এক শ্ৰেষ্ঠ স্বীকৃতি। সংবিধান সভাৰ বিতৰ্কসমূহ সংবিধান প্ৰণয়নৰ ইতিহাসত এক স্মৰণীয় অধ্যায়।



সংবিধান সভাৰ সভাপতি ড° ৰাজেন্দ্ৰপ্ৰসাদ আৰু খচৰা কমিটিৰ সভাপতি ড° বি. আৰ. আম্বেদকাৰে ইজনে সিজনক সম্ভাষণ যাচিছে।

"মই অন্তঃকৰণেৰে উপলব্ধি কৰিছো যে যি উদ্দীপনা আৰু নিষ্ঠাৰে খচৰা কমিটিৰ সদস্য সকলে, বিশেষকৈ এই কমিটিৰ সভাপতি বি.আৰ. আম্বেদকাৰে তেখেতৰ অসুখীয়া স্বাস্থ্য সত্বেও কাম কৰিলে সেইয়া অন্য কোনেও কৰিব নোৱাৰিলেহেঁতেন। তেওঁক খচৰা কমিটিত অন্তৰ্ভূক্ত কৰা আৰু এই কমিটিৰ সভাপতি হিচাবে মনোনীত কৰাটোৰ সমান শুদ্ধ সিদ্ধান্ত আৰু একো হ'ব নোৱাৰে। তেওঁ যে তেওঁক নিৰ্বাচিত কৰা সিদ্ধান্তৰ প্ৰতিহে ন্যায় কৰিলে তেনে নহয়, তেওঁ কৰা কামৰো সুখ্যাতি ৰাখিলে। এই ক্ষেত্ৰত কমিটিৰ অন্যান্য সদস্যসকলৰ লগত পাৰ্থক্য অনাটো নিতান্তই অশুভ কথা হ'ব। মই জানো যে সভাপতিৰ দৰেই তেওঁলোক সকলোৱেই একে উদ্যম আৰু নিষ্ঠাৰে কাম কৰিলে আৰু তেওঁলোক সকলোৱেই সমগ্ৰ দেশৰ ধন্যবাদৰ পাত্ৰ।"

ড° ৰাজেন্দ্ৰ প্ৰসাদ

সংবিধান সভা বিতৰ্ক, ভলিউম XI, ২৬ নৱেম্বৰ, ১৯৪৯

## পদ্ধতি (Procedures)

ৰাজহুৱা যুক্তিৰ গুৰুত্ব বিধানমণ্ডলৰ পদ্ধতিৰ মাজতো ফুটি উঠে। সংবিধান সভাৰ আঠখন গুৰুত্বপূৰ্ণ কমিটি আছিল। সাধাৰণতে জৱহৰলাল নেহেৰু, ৰাজেন্দ্ৰ প্ৰদাস, চৰ্দাৰ পেটেল, মৌলানা আবুল কালাম আজাদ বা ড° আম্বেদকাৰ আদি নেতাসকলে এই সমিতিবোৰৰ বৈঠকত সভাপতিত্ব কৰিছিল। এখেতসকলৰ আন সদস্যসকলৰ সৈতে সকলো বিষয়তে একমত নাছিল। ড·আম্বেদকাৰে কংগ্ৰেছ দল আৰু মহাত্মা গান্ধীক চোকা সমালোচনা কৰিছিল আৰু তেওঁলোকৰ বিৰুদ্ধে এইবুলি অভিযোগ আনিছিল যে— তেওঁলোকে অনুসূচীত জাতিৰ লোকসকলৰ উন্নয়নৰ বাবে কোনো ধৰণৰ বাস্তৱ পদক্ষেপ লব পৰা নাই। সাধাৰণতে সিদ্ধান্তবোৰ সৰ্বসন্মতভাবে লোৱাৰ বাবে চেষ্টা কৰা হৈছিল। এইটো ভবা হৈছিল যে— সৰ্বসন্মত

DAILY ASSAM



সিদ্ধান্তসমূহ কোনো নিৰ্দিষ্ট স্বাৰ্থৰ বিৰুদ্ধে নাযাব। সংবিধান সভাৰ কিছুমান সিদ্ধান্ত ভোটৰ জৰিয়তে গ্ৰহন কৰা হৈছিল। কিন্তু প্ৰত্যেক ক্ষেত্ৰতে এটা সাধাৰণ প্ৰশ্নকো সমানেই গুৰুত্ব দিয়া হৈছিল আৰু লিখিত ৰূপত তাক প্ৰকাশ কৰা হৈছিল। সাংবিধানিক সভা ১৬৬ দিন ধৰি বহিছিল আৰু ই দুই বছৰ এঘাৰ মাহ সামৰি লৈছিল। ইয়াৰ বৈঠকবোৰ সকলোৰে কাৰণে মুকলি আছিল আৰু বাতৰি কাকত তথা জনসাধাৰণ সকলোৰে এই বৈঠকবোৰত উপস্থিত থাকিব পাৰিছিল।

### স্বাধীনতা আন্দোলনৰ উত্তৰাধিকাৰ (Inheritance of the nationalist movement)

কোনো সংবিধানে ইয়াক প্ৰস্তুত কৰা সংবিধান সভাৰ দ্বাৰা সৃষ্টি বুলি কব নোৱাৰি। ভাৰতৰ সংবিধানসভাৰ দৰে এখন বিশাল সংবিধান সভা কেতিয়াও ভালভাবে চলিব নোৱাৰিলেহেঁতেন যদিহে সংবিধানত অন্তৰ্ভূক্ত কৰিব খোজা নীতিসমূহৰ বিষয়ে ঐক্যমত নাথাকিলেহেঁতেন। দৰাচলতে এই নীতিসমূহ স্বাধীনতা আন্দোলনৰ সময়চোৱাতে গঢ় লৈ উঠিছিল। সংবিধান সভাই এই নীতিসমূহক এটা নিৰ্দিষ্ট ৰূপত সজাইছিল। সংবিধান বলবৎ হোৱাৰ আগৰ দশকটোত স্বাধীনতা আন্দোলনে এনে বহু বিষয় আলোচনা কৰিছিল যিবোৰে সংবিধান প্ৰস্তুত কৰাৰ ক্ষেত্ৰত আৰু ভাৰতবৰ্ষৰ বাবে এক নিৰ্দিষ্ট চৰকাৰ গঠন কৰাৰ ক্ষেত্ৰত সহায়ক হৈ পৰিছিল। তদুপৰি কি কি নীতিসমূহ সংবিধানত সন্নিবিষ্ট কৰা হব আৰু কেনে ধৰণৰ অসমতা সংবিধানে আঁতৰ কৰিব সেই সম্বন্ধেও স্বাধীনতা আন্দোলনৰ সময়ত বিভিন্ন চিন্তা চৰ্চা চলিছিল। এই সকলো ধৰণৰ বিতৰ্ক আৰু চিন্তা চৰ্চাৰ চুড়ান্ত ৰূপেই হৈছে ভাৰতীয় সংবিধান।



*১৯৩৭ চনত আমি স্বাধীনতা পোৱাহেতেন কি হ'লহেতেন? বা যদি আমি স্বাধীনতাৰ কাৰণে ১৯৫৭ চনলৈকে ৰব লাগিল-হেতেন? এনে অবস্থাত ভাৰতীয় সংবিধানৰ স্বৰূপ আজিৰ নিচিনাই থাকিলহেতেন নে?*

সম্ভৱত স্বাধীনতা আন্দোলনে আগবঢ়োৱা অৱদান সমুহৰ ভিতৰত সংবিধানৰ উদ্দেশ্য প্ৰস্তাৱ যিটো ১৯৪৬ চনত পণ্ডিত নেহেৰুৱে সংবিধান সভাত উত্থাপন কৰিছিল। এই প্ৰস্তাৱে সংবিধানৰ মূল উদ্দেশ্যসমূহ বাখ্যা কৰিব খুজিছিল। এই প্ৰস্তাৱটোৱে তাৰ লগতে

সংবিধানৰ নীতি আৰু মুল্যবোধ সমুহ আৰু জনসাধাৰণৰ আশা আকাংশা সমুহকো সন্নিবিষ্ট কৰিছিল। দৰাচলতে সংবিধানৰ মুল ব্যৱস্থাৱলী এই উদ্দেশ্য প্ৰস্তাৱৰ দ্বাৰাই প্ৰভাবান্বিত হৈছিল। এই প্ৰস্তাৱৰ ভিত্তিতেই ভাৰতীয় সংবিধানে সমতা; স্বতন্ত্ৰতা গণতন্ত্ৰ; সাৰ্বভৌমত্ব আৰু এক বহুজাতিক পৰিচয়ৰ আদৰ্শক স্বীকৃতি দিছে। গতিকে আমাৰ সংবিধান কেৱল মাত্ৰ কিছুমান নিয়ম আৰু পদ্ধতিৰ সমষ্টিয়ে নহয়, ই হৈছে এক নৈতিক

**উদ্দেশ্য প্ৰস্তাবৰ মূল দিশসমূহ** (Main points of the objective Resolution)

- ✓ ভাৰতবৰ্ষ এখন স্বাধীন, সাৰ্বভৌম, গণৰাজ্য
- ✓ ভাৰতবৰ্ষ পূৰ্বৰ ব্ৰিটিছ ভাৰতীয় এলেকাসমূহৰ এখন সংঘ হব। ইয়াৰ লগতে দেশীয় ৰাজ্যসমূহ, বৃটিছ ভাৰতবৰ্ষৰ আন আন অংশসমূহ আৰু যিবোৰ এলেকাই এই সংঘত ঐচ্ছিকভাবে অংশগ্ৰহণ কৰিব বিচাৰিব সেই বোৰেও ইয়াৰ অংশ হব পাৰিব।
- ✓ ভাৰতীয় সংঘ যিবোৰ অঞ্চললৈ গঠিত হব সেইবোৰ ভাৰতীয় সংঘৰ স্বায়ত্ত শাসিত গোট হব আৰু চৰকাৰ আৰু প্ৰশাসনৰ সেই সকলোবোৰ ক্ষমতা ব্যৱহাৰ কৰিব পাৰিব যিবোৰ সংঘৰ হাতত অৰ্পণ কৰা হোৱা নাই।
- ✓ সাৰ্বভৌম আৰু স্বাধীন ভাৰতৰ সকলোবোৰ ক্ষমতাৰ উৎস হব জনসাধাৰণ।
- ✓ ভাৰতবৰ্ষৰ সকলোলোকক সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ন্যায়, সুযোগ আৰু মৰ্য্যদাৰ সমতা আৰু আইনৰ চকুত সমান; মৌলিক স্বাধীনতা যেনে— বাক স্বাধীনতা, বিশ্বাস, উপাসনা, সংগঠন গঠন কৰাৰ অধিকাৰ আদি প্ৰদান কৰা হব।
- ✓ সংখ্যালঘু সম্প্ৰদায়, পিছপৰা সম্প্ৰদায় আৰু জনজাতিসকলক উপযুক্ত ৰক্ষণাবেক্ষণ দিয়া হব।
- ✓ ভাৰত গণৰাজ্যৰ অখণ্ডতা আৰু ভূমি, সাগৰ আৰু আকাশ মাৰ্গৰ সাৰ্বভৌম অধিকাৰ, সভ্য জাতিৰ ন্যায় আৰু আইন অনুসৰি ৰক্ষা কৰা হব।
- ✓ ভাৰতবৰ্ষই বিশ্বশান্তি আৰু জনগণৰ কল্যাণৰ কাৰণে অৰিহণা আগবঢ়াব।

DAILY ASSAM



দায়বদ্ধতা যাৰ জৰিয়তে জনসাধাৰণক স্বাধীনতা আন্দোলনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমুহ পুৰাবৰ কাৰণে উপযুক্ত চৰকাৰ প্ৰতিষ্ঠা কৰা।

### আনুস্থানিক ব্যৱস্থা (Institutional arrangements)

সংবিধান এখন সক্ৰিয় কৰি ৰখাৰ তৃতীয় কাৰকটো হৈছে চৰকাৰৰ অনুষ্ঠানসমূহৰ মাজত ভাৰসাম্য বজাই ৰখা। ইয়াৰ মূল নীতিটো হৈছে যে চৰকাৰ গণতান্ত্ৰিক হ'ব লাগিব আৰু জনসাধাৰণৰ কল্যাণৰ প্ৰতি দায়াবদ্ধ হৈ থাকিব লাগিব। সংবিধান সভাই কাৰ্য্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকাৰ মাজত উপযুক্ত ভাৰসাম্য বজাই ৰাখিবলৈ যথেষ্ট সময় ধৰি আলোচনা কৰিছিল। ইয়াৰ ফলতেই সংসদীয় গণতন্ত্ৰ আৰু যুক্তৰাষ্ট্ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল যাৰ জৰিয়তে বিধান মণ্ডল আৰু কাৰ্য্যপালিকা তথা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত ক্ষমতা বিতৰণ কৰা হৈছিল।



ভাৰতীয় সংবিধান অনুকৰণ কৰা সংবিধান হয়নে? আমি এনেকুৱা এখন সংবিধান লাভ কৰিব নোৱাৰোনে য'ত কোনো দেশৰে কোনো ব্যৱস্থা সন্নিবিষ্ট হোৱা নাই?


চৰকাৰৰ অনুষ্ঠানসমূহৰ মাজত ভাৰসাম্য ভিত্তিক ব্যৱস্থা কৰিবলৈ যাওতে সংবিধান প্ৰণেতা সকলে আন আন দেশৰ পৰীক্ষা-নিৰীক্ষা তথা অভিজ্ঞতাৰ পৰা যথেষ্ট পাঠ গ্ৰহণ কৰিছিল। এইদৰে ভাৰতীয় সংবিধানৰ প্ৰণেতা সকলে আন আন দেশৰ সাংবিধানিক পৰম্পৰাসমূহ ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কৰিছিল। এই সকলোবোৰ কথাই তেওঁলোকক যিকোনো ধৰণৰ ব্যৱস্থাৰ পক্ষৰ বৌদ্ধিক আৰু ঐতিহাসিক উদাহৰণ দিবলৈ শিকাইছিল। সেইদৰে তেওঁলোকে বেলেগ বেলেগ দেশৰ পৰা সাংবিধানিক ব্যৱস্থাসমূহ অনুসৰণ কৰিছিল।

কিন্তু এই অনুসৰণসমূহ আন আন দেশসমূহৰ সম্পূৰ্ণ অনুসৰণ নাছিল। ইয়াৰে প্ৰত্যেক ব্যৱস্থাকেই ভাৰতীয় সমস্যা আৰু আশা আকাংক্ষাৰ লগত জড়িত কৰা হৈছিল। দৰাচলতে আমি আটায়ে অতি ভাগ্যৱান যে আমি এনেকুৱা এখন সংবিধান সভা পাইছিলো

যিখনে সংকীৰ্ণ মনোভাৱ দেখুৱাৰ পৰিৱৰ্তে পৃথিৱীৰ সকলো দেশৰ পৰা ভাল ভাল ব্যৱস্থাসমূহ সংগ্ৰহ কৰি ভাৰতীয় সংবিধানত সেইবোৰ অন্তৰ্ভূক্ত কৰিছে।

"কোনোবাই হয়তো সুধিব খুজিব পাৰে যে বিশ্ব ইতিহাসৰ এই মুহূৰ্ত্তত প্ৰণীত এখন সংবিধানত কিবা নতুন কথা জানো থাকিব পাৰে? ইমান পলমকৈ প্ৰণীত এখন সংবিধানত যদি সঁচাকৈয়ে কিবা নতুন কথা থাকিব পাৰে তেন্তে সেইয়া হ'ল ভুলভ্ৰান্তি দূৰীকৰণৰ বাবে কৰা সাল-সলনি আৰু তাক দেশৰ প্ৰয়োজন পূৰাব পৰাকৈ সংবিধানত অন্তৰ্ভুক্ত কৰা।"

ড° বি. আৰ. আম্বেদকাৰ,
সংবিধান সভা বিতৰ্ক, ভলিউম VII,
৪ নৱেম্বৰ, ১৯৪৮



ড° বি. আৰ. আম্বেদকাৰে সংবিধান সভাত এক আলোচনাৰ সভাপতিত্ব কৰি আছে।

DAILY ASSAM

## বিভিন্ন দেশৰপৰা গ্ৰহণ কৰা ভাৰতীয় সংবিধানৰ ব্যৱস্থাসমূহ

**বৃটিছ সংবিধান**

নিৰ্বাচনী ব্যৱস্থা।

সংসদীয় চৰকাৰ।
আইনৰ শাসন।

অধ্যক্ষৰ আসন আৰু ভূমিকা।

আইন প্ৰণয়ন প্ৰক্ৰিয়া।

**আয়াৰলেণ্ডৰ সংবিধান**

ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি

**ফ্ৰান্সৰ সংবিধান**

স্বতন্ত্ৰতা, সমতা, আৰু ভাতৃত্বৰ নীতি।

**আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধান**

মৌলিক অধিকাৰ।

ন্যায়িক সমীক্ষাৰ ক্ষমতা আৰু

ন্যায়পালিকাৰ স্বাধীনতা।

**কানাডাৰ সংবিধান**

অৰ্দ্ধ যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা (শক্তিশালী কেন্দ্ৰৰ সৈতে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা)

অৱশিষ্ট ক্ষমতাৰ ধাৰণা।

DAILY ASSAM





## সামৰণি

সংবিধান প্ৰণেতাসকলৰ পাণ্ডিত্য আৰু দূৰদৰ্শিতাক সঁচাকৈয়ে প্ৰশংসনীয় কাৰণ দেশৰ জনগণক এনেকুৱা এখন সংবিধান উপহাৰ দিছে, যিখন সংবিধানে জনসাধাৰণৰ আশা-আকাংক্ষা, তেওঁলোকৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ মূল অধিকাৰী হৈছে তেওঁলোক নিজেই। এনেকুৱা লিখিত সংবিধান পৃথিৱীত বিৰল।

পৃথিৱীৰ ভিতৰত ভাৰতৰ সংবিধানখন অদ্বিতীয় আৰু লক্ষ্যণীয়, বিশেষকৈ দক্ষিণ আফ্ৰিকাৰ বাবে। ভাৰতীয় সংবিধান দৈবক্ৰমে পোৱা সংবিধান নহয়, ভাৰতৰ জনগণে সুদূৰ ভৱিষ্যত যাতে সুখ আৰু সুৰক্ষিত জীৱন-যাপন কৰিব পাৰে, তাৰ বাবে সুদীৰ্ঘকাল পৰীক্ষামূলক অন্বেষণ কৰি জনগণৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে এই সংবিধান প্ৰণয়ন কৰা হৈছে। এই পাঠ্য-পুথিৰ বাকী অধ্যায়বোৰ অধ্যয়ন কৰিলে ভাৰতীয় সংবিধান সম্পৰ্কে ভালদৰে বুজিবলৈ সক্ষম হ'বা।

---

## অনুশীলনী

১। কোনবিধ কাৰ্য্য সংবিধানৰ অন্তৰ্ভূক্ত নহয়।
(ক) নাগৰিকৰ সুৰক্ষাৰ অধিকাৰ।
(খ) চৰকাৰৰ অন্তৰ্গত বিভিন্ন বিভাগৰ ক্ষমতা।
(গ) প্ৰতিভাপন্ন ব্যক্তি ক্ষমতালৈ অহা।
(ঘ) মত প্ৰকাশৰ অধিকাৰ।

২। তলত উল্লেখ কৰা কোনবোৰ যুক্তি সংসদতকৈ সংবিধানৰ কৰ্তৃত্ব বেছি নিৰ্ধাৰণ কৰা?
(ক) সংসদ গঠনৰ আগতে সংবিধান ৰচনা কৰা হৈছিল।
(খ) সাংসদ সকলোতকৈ সংবিধান প্ৰণেতা সকল বিশিষ্ট নেতা।
(গ) সংবিধানে সংসদৰ গঠন আৰু ক্ষমতা নিৰ্ধাৰণ কৰে।
(ঘ) সংসদৰ দ্বাৰা সংবিধান সংশোধন কৰিব নোৱাৰে।

DAILY ASSAM



৩। সংবিধান সম্পৰ্কে তলত উল্লেখ কৰা বাক্যবোৰ সঁচানে মিছা বাছি উলিওৱা।

(ক) সংবিধান চৰকাৰৰ গঠন আৰু ক্ষমতা সম্পৰ্কে লিখিত দলিল।

(খ) গণতান্ত্ৰিক দেশৰ বাবেহে সংবিধান প্ৰয়োজন।

(গ) সংবিধান কেৱল আইনগত দলিলহে, ইয়াৰ কোনো আদৰ্শ আৰু গুৰুত্ব নাই।

(ঘ) সংবিধানে নাগৰিকক নতুনত্ব প্ৰদান কৰে।

৪। ভাৰতীয় সংবিধানৰ ক্ষেত্ৰত নিম্নলিখিত সিদ্ধান্তবিলাক সঁচা নে মিছা যুক্তি দৰ্শোৱা?

(ক) সংবিধান সভাত ভাৰতীয় প্ৰতিনিধিত্ব নাই ইয়াৰ নিৰ্বাচনো সকলো নাগৰিকৰ দ্বাৰা হোৱা নাছিল।

(খ) সংবিধান প্ৰণয়নৰ সময়ত, সংবিধানৰ বুনিয়াদী ৰূপৰেখা সম্পৰ্কে নেতাবিলাকৰ মাজত সহমত থকাৰ বাবে কোনো ধৰণৰ জটিল সমস্যাৰ সৃষ্টি হোৱা নাছিল।

(গ) ভাৰতীয় সংবিধান অন্যান্য দেশৰ সংবিধানৰ আলমত ৰচনা কৰাৰ বাবে ইয়াৰ কোনো মৌলিকতা নাই।

৫। ভাৰতীয় সংবিধানৰ আধাৰত তলত উল্লেখ কৰা সিদ্ধান্ত সম্পৰ্কত দুটাকৈ উাহৰণ দিয়া।

(ক) ভাৰতীয় সংবিধানখন বিচক্ষণ নেতাৰ দ্বাৰা প্ৰণয়ন কৰা হৈছে বাবে এওঁলোকক ভাৰতীয় জনসাধাৰণে সন্মান কৰে।

(ঘ) সংবিধানে যি উপায়ে ক্ষমতাৰ বিতৰণ কৰিছে তাক অদল-বদল কৰাত প্ৰতিবন্ধকতা আছে।

(গ) সংবিধান দেশৰ জনসাধাৰণৰ আশা আৰু আকাঙ্খাৰ কেন্দ্ৰবিন্দু।

৬। দেশৰ বাবে ক্ষমতাৰ স্পষ্ট সীমাবদ্ধতা আৰু দায়বদ্ধতাৰ বাবে সংবিধানৰ কিয় আৱশ্যক? এনেকুৱা সীমাবদ্ধতা আৰু দায়বদ্ধতা নহলে কি ঘটিব পাৰে?

৭। শাসক সকলৰ বাবে সীমাবদ্ধতা সংবিধানত কিয় আৱশ্যক? এনেকুৱা সংবিধান থাকিব পাৰে নেকি য'ত নাগৰিকৰ কোনো অধিকাৰ থাকিব নোৱাৰে?

৮। যেতিয়া জাপানৰ সংবিধান ৰচনা কৰা হৈছিল তেতিয়া দ্বিতীয় বিশ্ব যুদ্ধত আমেৰিকাৰ হাতত পৰাজিত হৈ পৰাধীন হৈ আছিল। জাপানৰ সংবিধানত সেই সময়ত এনেকুৱা ব্যৱস্থা থকাটো সম্ভৱ নাছিল যিটো আমেৰিকাৰ বাবে পছন্দৰ নহয়। তোমাৰ বিবেচনা মতে এনেকুৱা সমস্যাত সংবিধান ৰচনা কৰা সম্ভৱ নে? ভাৰতীয় সংবিধান প্ৰণয়ন কৰাৰ সময়ত এনেকুৱা সমস্যাৰ কি পাৰ্থক্য আছিল?

৯। ৰজতে শিক্ষকক প্ৰশ্ন কৰিলে যে এই সংবিধানখন পঞ্চাশ বছৰ আগৰ গতিকে ই বৰ্তমান সময়োপযোগী নহয়। কাৰ্য্যকৰী কৰাৰ সময়ত মোৰ পৰা কোনোৱে মতামত লোৱা নাই। ইয়াৰ ভাষাবোৰ বৰ কঠিন হোৱা বাবে মই বুজি পোৱা নাই। গতিকে কিয় মই এই সংবিধানখন মানি ল'ব লাগিব তাক বুজাই দিব লাগিব। যদি তুমি সেই শিক্ষকজন হোৱা, তেনেহলে ৰজতক কেনেকৈ উত্তৰটো দিবা ?

১০। আমাৰ সংবিধানৰ কাৰ্য কলাপৰ সৈতে জড়িত তিনিটা বেলেগ বেলেগ বিভাগৰ কাৰ্যৰ অনুভৱক লৈ এটি আলোচনা চক্ৰত তিনিজন বক্তাই ভাগ লৈছেঃ

(ক) **হৰবঞ্চ ঃ** ভাৰতীয় সংবিধানে গণতান্ত্ৰিক ধ্যান-ধাৰণা প্ৰদান কৰাত সফল হৈছে।

(খ) **নেহাঃ** ভাৰতীয় সংবিধানত স্বতন্ত্ৰতা, সমতা আৰু ভাতৃত্ববোধ সুনিশ্চিতকৰণত বিধিগত বাধা আছে। সেই বাবে ভাৰতীয় সংবিধান বিফল হৈছে।

(গ) **নাজিমা ঃ** ভাৰতীয় সংবিধান বিফল নহয়, আমিহে ইয়াক বিফল কৰিছোঁ।

তুমি ওপৰত উল্লেখ কৰা কোনটো পক্ষ সমৰ্থন কৰা আৰু কিয়, যদি নকৰা তেনেহলে তোমাৰ নিজস্ব বক্তব্য দাঙি ধৰা ?